# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
0000000000

**Date : 29-12-2025**
**Time :** 21-25 Hrs

**ASSAMESE NIGHT BULLETIN**

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

দিনজোৰা ভ্ৰমণসূচীৰে আজি অসমলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বটদ্ৰৱা সাংস্কৃতিক প্ৰকল্পৰ লগতে গুৱাহাটীৰ খানাপাৰাত নৱ নিৰ্মিত আৰক্ষী আয়ুক্তালয়ৰ কাৰ্যালয় আৰু ৫ হাজাৰ আসনযুক্ত জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰে। ঘণ কুঁৱলিৰ বাবে দিনৰ প্ৰায় এঘাৰ  বজাত লোকপ্ৰিয় গোপীনাথ বিমান বন্দৰত উপস্থিত হোৱাৰ পিছত  পোনে পোনে গৃহমন্ত্ৰীগৰাকী নগাঁৱৰ বটদ্ৰবাৰ সংস্কৃতিক প্ৰকল্পত উপস্থিত হয়। প্ৰকল্পস্থলী উদ্বোধন কৰি দিয়া ভাষণত গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে শ্ৰীমন্ত শংকৰদেৱৰ দৰে মহান ব্যক্তি ভাৰতত জন্মগ্ৰহণ কৰাটো সৌভাগ্যৰ কথা।

ৰাজ্য চৰকাৰে ১ লাখতকৈ অধিক দখলকাৰী লোকক উচ্ছেদ কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে বিজেপি নেতৃত্বাধীন চৰকাৰে শাসন কৰা এই ১০টা বছৰ অসমৰ বাবে সোণালী সময়। ভাষণত শ্ৰীশ্বাহে লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আৰু ছহিদ কনকলতা বৰুৱাক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। বিগত কেইটামান বছৰত অসম দেশৰ বিকাশৰ ইঞ্জিন হিচাপে পৰিগণিত হোৱাৰ দিশত অগ্ৰসৰ হৈছে বুলিও তেওঁ উল্লেখ কৰে।

বাইট ঃ অমিত শ্বাহ

মুখ্যমন্ত্ৰী ডº শৰ্মাই অনুষ্ঠানত দিয়া ভাষণত কয় যে একাংশ লোকে দখল কৰি থকা ভূমি উচ্ছেদ কৰি বটদ্ৰৱা প্ৰকল্প নিৰ্মাণ কৰা হৈছে। ৰাজ্য চৰকাৰে এনেধৰণৰ অবৈধ দখলৰ বিৰুদ্ধে উচ্ছেদ অব্যাহত ৰাখিব বুলি তেওঁ উল্লেখ কৰে।

এই অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু মন্ত্ৰী বিমল বৰা উপস্থিত থাকে। ইয়াৰ পিছতে গৃহমন্ত্ৰী অমিত শ্বাহে বৰাগাঁৱত নৱনিৰ্মিত শ্বহীদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰি অসম আন্দোলনৰ ৮৬০ গৰাকী বীৰ শ্বহীদৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। ছহিদ স্মাৰক ক্ষেত্ৰৰ পৰা গৃহমন্ত্ৰীগৰাকী পোনে পোনে খানাপাৰাত নতুনকৈ নিৰ্মাণ কৰা আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হয়। আৰক্ষী আয়ুক্ত কাৰ্যালয়টো উদ্বোধন কৰাৰ লগতে তেওঁ ৩৯ খন ভ্ৰাম্যমান ফৰেনচিক বাহনৰ শুভাৰম্ভ কৰে। ইয়াৰ পিছতে তেওঁ খানাপাৰাত নৱ-নিৰ্মিত ৫ হাজাৰ আসনযুক্ত জ্যোতি-বিষ্ণু প্ৰেক্ষাগৃহ উদ্বোধন কৰে। ৪৫ বিঘা এলেকাজুৰি ২৯১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই প্ৰেক্ষাগৃহত সন্মিলন ভৱন, অত্যাধুনিক দৃশ্য-শ্ৰব্য ব্যৱস্থা, ডিজিটেল আন্তঃগাঁথনিকে ধৰি ভালেমান উন্নত মানৰ ব্যৱস্থা ৰখা হৈছে। গৃহমন্ত্ৰীগৰাকীয়ে এই প্ৰেক্ষাগৃহতে জন্মগতভাৱে থকা হৃদৰোগৰ পৰা সুস্থ হোৱা এহেজাৰ শিশুৰ অভিবাদন গ্ৰহণ কৰে।

০০০০

দেশত পানকাৰ্ড আৰু আধাৰকাৰ্ড সংযোগৰ বাবে অন্তিম সময়সীমা অহা ৩১ ডিচেম্বৰ ধাৰ্য কৰা হৈছে। নাগৰিকে কৰ আদায় দিয়াৰ সময়ত ব্যক্তিৰ আধাৰ আৰু পানকাৰ্ড সংলগ্ন কৰাটো বাধ্যতামূলক কৰা হৈছে। ২০২৪ চনৰ ১ অক্টোবৰতে আধাৰকাৰ্ড আৰু পানকাৰ্ড সংলগ্ন কৰাৰ এটা নিৰ্দেশ জাৰি কৰা হৈছিল আৰু পাছত এই সময়সীমা ২০২৫ চনৰ ৩ এপ্ৰিললৈ পুনৰ বৃদ্ধি কৰা হৈছিল। ৩১ ডিচেম্বৰৰ পূৰ্বে আধাৰকাৰ্ড আৰু পানকাৰ্ড সংলগ্ন নকৰিলে এহেজাৰ টকাকৈ জৰিমণা ভৰিব লাগিব, অন্যথা পানকাৰ্ডসমূহ নিষ্ক্ৰিয় কৰি দিয়া হ'ব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। এই সময়সীমাৰ ভিতৰত আধাৰ আৰু পান সংলগ্ন নকৰিলে ২০২৬ বৰ্ষৰ টিডিএছ আৰু টি চি এছ ধনৰাশি ঘূৰাই দিয়া নহ'ব।

০০০০

বিশিষ্ট প্ৰকৃতিপ্ৰেমী, অৰণ্য মানৱ হিচাপে খ্যাত যাদৱ পায়েঙৰ মূলাই কাঠনিত কালি দুৰ্বৃত্তই অগ্নিসংযোগ কৰা ঘটনাৰ বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে আজি ফোনযোগে বুজ লয়। মন্ত্ৰীগৰাকীয়ে শ্ৰীপায়েঙৰ কন্যাৰ সৈতে ফোনযোগে কথা পাতি সকলো বিষয় সন্দৰ্ভত অৱগত হোৱাৰ লগতে বন বিভাগ আৰু প্ৰশাসনে সাহায্য আগবঢ়াব বুলি আশ্বাস দিয়ে। উল্লেখযোগ্য যে যাদৱ পায়েঙৰ কন্যা মুন্মী পায়েং আৰু এটা ৭০জনীয়া দলৰ প্ৰচেষ্টাত ২০২২ চনৰ পৰা চাপৰিটোত গছপুলি ৰোপণৰ কাম আৰম্ভ হৈছিল। স্থানীয় যুৱক আৰু দৰ্শনাৰ্থীসকলে বহু সময় চেষ্টা চলাই অগ্নি নিৰ্বাপন কৰে যদিও ভালেসংখ্যক গছ-গছনি ভস্মীভূত হয়।

০০০০

ডিব্ৰুগড় জিলাৰ মৰান গছপুৰিয়াৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি সন্ধিয়া সংঘটিত এক ভয়ংকৰ পথ দুৰ্ঘটনাত দুজন লোকৰ থিতাতে মৃত্যু হয়। এখন স্কোৰপিঅ' আৰু মটৰ চাইকেলৰ মাজত সংঘটিত সংঘৰ্ষত শিৱসাগৰৰ বিকাশ বৰুৱা আৰু উৎপল খনিকৰ নামৰ লোক দুজনৰ মৃত্যু হয়।

০০০০

দক্ষিণ শালামাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত অনুষ্ঠিত হৈ থকা ৫৯ সংখ্যক আন্তঃজিলা জুনিয়ৰ ভলীবল চেম্পিয়নশ্বিপৰ ছোৱালী শাখাত শিৱসাগৰ দলটোৱে চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰিছে। শিৱসাগৰ দলে ডিব্ৰুগড় দলত ৩-০ ফলাফলত পৰাস্ত কৰি এই সন্মান লাভ কৰে। ইফালে ল'ৰাৰ শাখাত তেজপুৰ আৰু গহপুৰ দল ফাইনেলত প্ৰৱেশ কৰিছে।

আজি অনুষ্ঠিত ছেমি ফাইনেলত ল'ৰাৰ শাখাত দক্ষিণ কামৰূপ দলক পৰাস্ত কৰি গহপুৰে আৰু শালবাৰী দলক পৰাস্ত কৰি তেজপুৰে ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**